**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
----------------------------

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দৌপদী মুৰ্মু দুদিনীয়া নিউজিলেণ্ড ভ্ৰমণসূচীৰে আজি অকলেণ্ডত উপস্থিত হৈছে।

২। সমগ্ৰ দেশতে আজি দশম ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰা হৈছে। এই দিৱসৰ সৈতে সংগতি ৰাখি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আজি আয়োজিত এটা অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে অংশগ্ৰহণ কৰিছে।

৩। বাংলাদেশত সেনা বাহিনীৰ শীৰ্ষ পৰ্যায়ত গুৰুত্বপূৰ্ণ সালসলনিৰ পাছত দেশখনৰ নতুন প্ৰশাসনে আৰক্ষী বাহিনীটোক পুনৰ গঠন কৰিছে।

৪। ভাৰতৰ বাবে দুৰ্ভাগ্যজনকভাৱে বিবেচিত এটা ঘটনাত পেৰিছ অলিম্পিকৰ মহিলা মল্লযোদ্ধা ৱিনেশ ফোগতক সামান্য পৰিমাণে ওজন বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত আজি হ'বলগীয়া ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল প্ৰতিযোগিতাৰ বাবে অযোগ্য ঘোষণা কৰা হৈছে। **আৰু**

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত আজি অনুষ্ঠিত হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দৌপদী মুৰ্মু দুদিনীয়া নিউজিলেণ্ড ভ্ৰমণসূচীৰে আজি অকলেণ্ডত উপস্থিত হৈছে। নিউজিলেণ্ডৰ গভৰ্নৰ জেনেৰেল ডে'ম চিণ্ডি কিৰ'ৰ আমন্ত্ৰণক্ৰমে তেওঁ দেশখন ভ্ৰমণ কৰিবলৈ লৈছে। এই ভ্ৰমণৰ সময়ছোৱাত ৰাষ্ট্ৰপতিগৰাকীয়ে গভৰ্নৰ জেনেৰেল ডে'ম চিণ্ডি কিৰ'ৰ লগতে দেশখনৰ প্ৰধানমন্ত্ৰী খ্ৰীষ্টোফাৰ লাক্সনৰ সৈতে দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰিব। তদুপৰি তেওঁ এখন শৈক্ষিক সন্মিলনত ভাষণ দিয়াৰ লগতে ভাৰতীয় সম্প্ৰদায় আৰু ভাৰতৰ মিত্ৰপক্ষৰ সৈতে মত বিনিময় কৰিব। ৰাষ্ট্ৰপতি মুৰ্মুৰ এই ভ্ৰমণে ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে। চৰকাৰী কাৰ্যসূচীৰে দুদিনীয়া ফিজি ভ্ৰমণ সামৰি আজি তেওঁ নিউজিলেণ্ডত উপস্থিত হ'ব।

প্ৰশান্ত মহাসাগৰীয় দ্বীপৰাষ্ট্ৰখন ভ্ৰমণলৈ যোৱা প্ৰথমগৰাকী ভাৰতীয় ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এই ভ্ৰমণৰ সময়ছোৱাত ফিজিৰ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক আলোচনাত অংশগ্ৰহণ কৰে। তদুপৰি তেওঁ ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতীয় সম্প্ৰদায়ৰ সৈতে মত বিনিময় কৰাৰ লগতে নাদিত অৱস্থিত শ্ৰী শিৱ সুব্ৰমন্য মন্দিৰো দৰ্শন কৰে।

০০০০০০০

সমগ্ৰ দেশতে আজি দশম ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰা হৈছে। এই দিৱসৰ সৈতে সংগতি ৰাখি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আজি আয়োজিত এটা অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে অংশগ্ৰহণ কৰিছে।

আনহাতে দশম ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে, সমগ্ৰ দেশৰ হস্তশিল্পৰ সমৃদ্ধিশালী ঐতিহ্য আৰু পৰম্পৰাক লৈ তেওঁ গৰ্ব অনুভৱ কৰে। ভ'কেল ফৰ লোকেল ভাৱধাৰাৰ প্ৰতি দায়বদ্ধতাক দোহাৰি দেশবাসীয়ে দেশৰ হস্তশিল্পীসকলক কাৰ্যকুশলতাৰ শলাগ লৈ আহিছে বুলিও শ্ৰীমোদীয়ে মত প্ৰকাশ কৰে।

অসমতো হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম সঞ্চালকালয়ৰ উদ্যোগত আজি দশম ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰিবলৈ লোৱা হৈছে। খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এই দিৱসত ৰাজ্য চৰকাৰৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু জয়ন্ত মল্লবৰুৱাৰ লগতে পদ্মশ্ৰী তথা অসম গৌৰৱ বঁটা প্ৰাপক বয়ন শিল্পী হেমপ্ৰভা চুতীয়াকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। ৰাজ্যৰ আন বিভিন্ন স্থানতো এই দিৱস উদযাপন কৰা হৈছে।

০০০০০০০

বাংলাদেশত সেনা বাহিনীৰ শীৰ্ষ পৰ্যায়ত গুৰুত্বপূৰ্ণ সালসলনিৰ পাছত দেশখনৰ নতুন প্ৰশাসনে আৰক্ষী বাহিনীটোক পুনৰ গঠন কৰিছে। নতুনকৈ দায়িত্ব লোৱা প্ৰশাসনে অতিৰিক্ত আৰক্ষী মহাপৰিদৰ্শক মহম্মদ হাৰুণ আৰ ৰছিদৰ ঠাইত এ কে এম ছাহিদুৰ ৰহমানক নিযুক্তি দিছে। আনহাতে মহম্মদ মইনুল হাছানক ঢাকাৰ আৰক্ষীৰ নতুন আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০০০

মণিপুৰ চৰকাৰে বাংলাদেশৰ পৰা হ'ব পৰা অবৈধ প্ৰব্ৰজন প্ৰতিহত কৰাৰ উদ্দেশ্যে সীমামূৰীয়া ফেৰজল আৰু জিৰিবাম জিলাত নৈশ সান্ধ্য আইন জাৰি কৰিছে। দুয়োখন জিলাৰ জিলা দণ্ডাধীশ দুয়োগৰাকীয়ে এই সন্দৰ্ভত নিষেধাজ্ঞা জাৰি কৰিছে। এনে নিষেধাজ্ঞাৰ অধীনত আগ্নেয়াস্ত্ৰ, দা-তৰোৱাল, লাঠী, শিলগুটি আদিৰ লগতে সকলো ধৰণৰ চোকা অস্ত্ৰজাতীয় সামগ্ৰী কঢ়িওৱাটো বাৰণ কৰা হৈছে।

০০০০০০০

ৰাষ্ট্ৰপতি ভৱনত থকা অমৃত উদ্যান এই মাহৰ ১৬ তাৰিখৰ পৰা অহা মাহৰ ১৫ তাৰিখলৈকে সাধাৰণ নাগৰিকৰ বাবে খোলা থাকিব। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ১৪ আগষ্টৰ অমৃত উদ্যানৰ এইবাৰ গ্ৰীষ্মকালীন সংস্কৰণৰ মুকলি অনুষ্ঠানত আনুষ্ঠানিকভাৱে উপস্থিত থাকিব। প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে ২৯ আগষ্টত খেলুৱৈসকলৰ বাবে আৰু শিক্ষক দিৱস উপলক্ষে ৫ ছেপ্তেম্বৰত শিক্ষকসকলৰ বাবে উদ্যানখন আৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। ৰাষ্ট্ৰপতি ভৱনৰ ৩৫ নম্বৰ প্ৰৱেশদ্বাৰেৰে জনসাধাৰণে উদ্যানত প্ৰৱেশ কৰিব পাৰিব। ৰাষ্ট্ৰপতি ভৱনৰ ৱেবছাইটত অনলাইন মাধ্যমেৰে বা ৩৫ নম্বৰ প্ৰৱেশদ্বাৰৰ বাহিৰত জনসাধাৰণে নিজে টিকট সংগ্ৰহ কৰিব পাৰিব।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অনাগত ৪ দিনলৈ হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডত মুষলধাৰ বৰষুণ হোৱাৰ আগলি বতৰা প্ৰকাশ কৰিছে। বিভাগটোৱে কয় যে, হিমাচল প্ৰদেশ, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশৰ পূব অংশ আৰু উত্তৰাখণ্ডত আজি প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আনহাতে অহা দুই-তিনিদিনলৈ জম্মু-কাশ্মীৰ, উত্তৰ প্ৰদেশৰ পূব অংশ, ৰাজস্থানৰ পূব অংশ, পঞ্জাব, হাৰিয়ানা আৰু চণ্ডিগড়তো ধাৰাষাৰ বৰষুণৰ সম্ভাৱনা আছে। তামিলনাডু, অন্ধ্ৰপ্ৰদেশৰ উপকূলীয়া অঞ্চল, তেলেংগানা আৰু গোৱাতো আজি প্ৰৱল বৰষুণ হ'ব পাৰে। পূব আৰু

উত্তৰ-পূব ভাৰতৰ অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাতো অহা চাৰিটা দিনত বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান সংস্থাটোৱে সপ্তাহটোৰ ভিতৰতে নতুন দিল্লীত বজ্ৰপাতৰ সৈতে পাতলৰ পৰা মজলীয়া ধৰণৰ বৰষুণৰ সম্ভাৱনা ব্যক্ত কৰিছে।

০০০০০০০

ভাৰতৰ বাবে দুৰ্ভাগ্যজনকভাৱে বিবেচিত এটা ঘটনাত পেৰিছ অলিম্পিকৰ মহিলা মল্লযোদ্ধা ৱিনেশ ফোগতক সামান্য পৰিমাণে ওজন বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত আজি হ'বলগীয়া ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল প্ৰতিযোগিতাৰ বাবে অযোগ্য ঘোষণা কৰা হৈছে। অলিম্পিকৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰা দেশৰ এইগৰাকী মহিলা মল্লযোদ্ধা আজি এই প্ৰতিযোগিতাৰ ফাইনেলত অৱতীৰ্ণ হ'বলগীয়া আছিল।

ভাৰতীয় অলিম্পিক সংস্থাই আজি এটা বিবৃতিত প্ৰকাশ কৰা মতে এই সন্দৰ্ভত যোৱা নিশা দলটোৱে সকলো প্ৰচেষ্টা গ্ৰহণ কৰাৰ পাছতো খেলুৱৈগৰাকীৰ ওজন আজি পুৱাৰ ভাগত ৫০ কিলোগ্ৰামতকৈ কেইগ্ৰামমান বৃদ্ধি পায়। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ৱিনেশ ফোগতে বিশ্বৰ প্ৰথমস্থানৰ খেলুৱৈ তথা ২০২০ চনৰ টকিঅ' অলিম্পিকৰ চূড়ান্ত বিজয়ী জাপানৰ য়ুয়ি ছুজাকীক পৰাস্ত কৰি প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হৈছিল। আনহাতে কোৱাৰ্টাৰ ফাইনেলত তেওঁ ইউক্ৰেইনৰ অকছানা লিৱাচ'ক ৭-৫ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত উপনীত হোৱাৰ বিপৰীতে কিউবাৰ য়ুছনেইলিজ গুজমেন ল'পেজক পৰাভূত কৰি ফাইনেলত অৱতীৰ্ণ হৈ ভাৰতৰ বাবে এটা পদক নিশ্চিত কৰা প্ৰথমগৰাকী মহিলা মল্লযোদ্ধা হিচাপে পৰিগণিত হৈছিল।

এতিয়া পৰিৱৰ্তিত পৰিস্থিতিত ভাৰতীয় সমৰ্থকসকলৰ দৃষ্টি মণিকা বাট্ৰা, শ্ৰীজা অকুলা আৰু অৰ্চনা কামাথক লৈ গঠিত টেবুল টেনিছ দলটোৰ ওপৰত নিৱদ্ধ হৈছে। দলটো ছেমি ফাইনেলত উপনীত হোৱাৰ লক্ষ্যৰে ইতিমধ্যে আৰম্ভ হোৱা কোৱাৰ্টাৰ ফাইনেলত উচ্চ বাছনিপ্ৰাপ্ত জাৰ্মানীৰ প্ৰতিদ্বন্দ্বীৰ সন্মুখীন হৈছে।

ইপিনে এথলেটিকছত জ্যোতি য়াৰাজী, সৰ্বেশ অনিল কুশাৰে আৰু আব্দুল্লা নাৰাংগোলীণ্টেৰিডাই হাৰ্ডেল, হাই জাম্প আৰু ত্ৰিপল জাম্পৰ প্ৰথম ৰাউণ্ডত খেলিব। অবিনাশ চাবলে পুৰুষৰ ৩ হাজাৰ মিটাৰ ত্ৰিপল ষ্টেজৰ ফাইনেলত পদক জয়ৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। ইপিনে, টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা মিৰাবাঈ চানুৱে একেৰাহে দ্বিতীয় বাৰৰ বাবে পদক জয়ৰ প্ৰয়াস চলাব। চানু নিশা ১১ বজাত মহিলাৰ ভাৰোত্তোলনৰ ৪৯ কিলোগ্ৰাম ওজন শাখাত অৱতীৰ্ণ হ'ব।

০০০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত আজি অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। শ্ৰীলংকাই দ্বিতীয়খন এদিনীয়াত ৩২ ৰাণত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ প্ৰথমখন খেল ড্ৰ হৈছিল। শ্ৰীলংকাই ২৭ বছৰ পাছত ভাৰতৰ বিৰুদ্ধে দ্বিপাক্ষিক শৃংখলাত অগ্ৰগতি লাভ কৰিছে আৰু শৃংখলা দখলৰ দিশে আগবাঢ়িছে। ভাৰতে আজিৰ খেলখনত জয়লাভ কৰি শ্ৰীলংকাৰ বিৰুদ্ধে অপৰাজিত হৈ থকাৰ ধাৰা অক্ষুণ্ণ ৰখাৰ চেষ্টা চলাব। ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে ১৯৯৭ চনৰ পাছৰে পৰা কোনো শৃংখলাত পৰাজিত হোৱা নাই।

০০০০০০০

সমাপ্ত